নিশ্চয় মহান আল্লাহে নিৰ্ভেজাল আমলৰ বাহিৰে, অৰ্থাৎ যাৰ দ্বাৰা একমাত্ৰ আল্লাহৰ সন্তুষ্টি কামনা কৰা হয়, এনেকুৱা আমলৰ বাহিৰে আন একো গ্ৰহণ নকৰে।

আবু উমামা আল-বাহিলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এজন ব্যক্তিয়ে
নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ সেইজন ব্যক্তি সম্পৰ্কে
আপোনাৰ মতামত কি, যি ব্যক্তিয়ে প্ৰতিদান আৰু সুনাম অৰ্জন কৰিবলৈ যুদ্ধ কৰে, তাৰ
বাবে কি আছে? তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "তাৰ বাবে
একো নাই।" ব্যক্তিজনে এই প্ৰশ্ন তিনিবাৰ সুধিলে। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তাক আকৌ ক'লেঃ "তাৰ বাবে একো নাই।" ইয়াৰ পিছত তেখেতে ক'লেঃ "নিশ্চয় মহান আল্লাহে নিৰ্ভেজাল আমলৰ বাহিৰে, অৰ্থাৎ যাৰ দ্বাৰা একমাত্ৰ আল্লাহৰ সন্তুষ্টি
কামনা কৰা হয়, এনেকুৱা আমলৰ বাহিৰে আন একো গ্ৰহণ নকৰে।" [رواه النسائي] [ছহীহ[

এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি, এনেকুৱা এজন ব্যক্তি সম্পৰ্কে বিধান জানিব বিচাৰিলে, যিয়ে এই নিয়্যতেৰে যুদ্ধ কৰে যে, যাতে তেওঁ আল্লাহৰ ওচৰত প্ৰতিদানো লাভ কৰে আৰু মানুহৰ মাজত যাতে তাৰ সুনাম হয়। তেনেকুৱা ব্যক্তিয়ে সঁচাই সুপ্ৰতিফল লাভ কৰিবনে? ইয়াৰ উত্তৰত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লে যে, সি একো ছোৱাব লাভ নকৰিব। কাৰণ তাৰ নিয়্যতত ইখলাচ নাই। ব্যক্তিজনে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্নটো তিনিবাৰ কৰিলে, ইপিনে নবী চাল্লাল্লাহু আলাইহি অছাল্লামেও গুৰুত্ব সহকাৰে একেটাই উত্তৰ দিলে যে, সি কোনো ছোৱাব লাভ নকৰিব। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ওচৰত আমল কবূল হোৱাৰ নিয়ম উল্লেখ কৰি ক'লেঃ মহান আল্লাহে সেই আমল কবূল কৰে যিটো নিৰ্ভেজালভাৱে একমাত্ৰ তেওঁৰ উদ্দেশ্যে কৰা হয়, য'ত আন কাৰো অংশীদাৰিত্ব নাই। একমাত্ৰ আল্লাহৰ সন্তুষ্টি অৰ্জনৰ বাবে হ'ব লাগিব।

http://www.sunnah.global/hadeeth/as/show/65107